জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২১২/২০২০

**মহানগৰ আৰক্ষীৰ ক'ভিড-১৯ ৰ সংক্ৰমণ প্ৰতিৰোধৰ পদক্ষেপৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে**

# অসম আৰক্ষী ৰাইজৰ বিপদৰ বন্ধুৰূপে পৰিগণিত হৈছে ঃ মুখ্যমন্ত্ৰী

**ফেব্ৰুৱাৰী মাহৰ অন্তিম সপ্তাহতে তিনি গৰাকী চীনা নাগৰিকক কুৱাৰেণ্টাইনত ৰখাৰ ব্যৱস্থা কৰিছিল অসম আৰক্ষীয়ে**

**যোৱা এমাহ ধৰি মহানগৰীৰ ৫ হাজাৰ গৰাকী ব্যক্তিক দৈনিক খাদ্যৰ যোগান ধৰি আহিছে মহানগৰ আৰক্ষীয়ে**

**দিছপুৰ, ২৫ এপ্ৰিল ঃ** 'দেশত ক'ভিড-১৯ ৰ ব্যাপক প্ৰাদুৰ্ভাৱ ঘটাৰ বহু পূৰ্বেই ফেব্ৰুৱাৰী মাহৰ অন্তিম সপ্তাহতে অসম আৰক্ষীয়ে চীন দেশৰ পৰা ব্যৱসায়িক কামত অহা তিনি গৰাকী ব্যক্তিক ২৮ দিনৰ বাবে কুৱাৰেণ্টাইনত ৰখাৰ ব্যৱস্থা কৰিছিল। অসম আৰক্ষীয়ে গ্ৰহণ কৰা এই পদক্ষেপ দেশৰ ভিতৰতে এক অন্যতম ঘটনা। লক্-ডাউনৰ সময়ছোৱাত বিগত ২৫ মাৰ্চৰ পৰা মহানগৰ আৰক্ষীয়ে বিভিন্ন স্বেচ্ছাসেৱী সংস্থাৰ সহযোগত দৈনিক ৫ হাজাৰ গৰাকী ব্যক্তিক খাদ্যৰ যোগান ধৰি আহিছে। এই কাৰ্যই অসম আৰক্ষীৰ জনসেৱাৰ নিদৰ্শন স্পষ্ট ৰূপত দাঙি ধৰিছে।' আজি গুৱাহাটীৰ পল্টনবজাৰস্থিত মহানগৰ আৰক্ষী চাউনীত মহানগৰ আৰক্ষীয়ে ক'ভিড-১৯ ৰ বিৰুদ্ধে যুঁজত গ্ৰহণ কৰা পদক্ষেপসমূহৰ পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে অসম পুলিচৰ কঠোৰ পদক্ষেপৰ বাবেই ৰাজ্যখনত প্ৰথম পৰ্যায়ৰ লক্-ডাউন সফলৰূপত ৰূপায়ণ কৰিবলৈ আমি সক্ষম হ'লো। কেন্দ্ৰীয় চৰকাৰৰ নীতি-নিৰ্দেশনা অনুসৰি দ্বিতীয় পৰ্যায়ৰ লক্-ডাউনৰ সময়ছোৱাত কেতবোৰ বিশেষ সেৱাক ৰেহাই দিয়া হৈছে। কিন্তু সামাজিক দূৰত্ব বৰ্তাই ৰখাৰ মূল নীতিক আপোচ নকৰাকৈ এই শিথিল কৰা ক্ষেত্ৰসমূহত কাম-কাজ সুচাৰুৰূপে চলাই নিয়াত অসম আৰক্ষীয়ে বিশেষ ভূমিকা গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী সোণোৱালে কয় যে কৰ'না ভাইৰাছৰ দৰে এক অদৃশ্য শত্ৰুৰ বিৰুদ্ধে এই যুঁজৰ সময়ত অসম আৰক্ষীয়ে ৰাজ্যখনৰ সৰ্বস্তৰৰ ৰাইজৰ পৰা আস্থা আৰু ভালপোৱা অৰ্জন কৰিবলৈ সক্ষম হৈছে। লক্-ডাউনৰ এই সময়ছোৱাত আইন-শৃংখলা ৰক্ষাৰ লগতে বিভিন্ন জনহিতকৰ কাম-কাজেৰে অসম আৰক্ষী ৰাইজৰ ত্ৰাণকৰ্তা আৰু বিপদৰ বন্ধুৰূপে পৰিগণিত হৈছে। অসম আৰক্ষীয়ে লক্-ডাউনৰ দিন কেইটাত আগবঢ়োৱা সেৱাৰ কথা ৰাইজে চিৰকাললৈ মনত ৰাখিব। প্ৰশংসাই দায়িত্ব বঢ়ায় বুলি উল্লেখ কৰি বিভিন্ন প্ৰত্যাহ্বানৰ মাজতো ৰাইজৰ এই আস্থা আৰু বিশ্বাস অনাগত দিনবোৰতো অটুট ৰখাৰ বাবে অধিক নিষ্ঠা আৰু দায়বদ্ধতাৰে কাম কৰিবলৈ মুখ্যমন্ত্ৰীয়ে অসম আৰক্ষীৰ প্ৰতিগৰাকী বিষয়ববীয়াকে আহ্বান জনায়।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে উত্তৰ-পূৰ্বাঞ্চলৰ দুৱাৰমুখ হিচাপে ৰাজ্যৰ অন্যান্য ঠাইৰ তুলনাত মহানগৰ আৰক্ষীৰ সন্মুখত প্ৰত্যাহ্বান অধিক। মহানগৰ আৰক্ষীয়ে স্থানীয় সমস্যাৰ লগতে আন্তঃৰাষ্ট্ৰীয়, ৰাষ্ট্ৰীয় আৰু উত্তৰ-পূৰ্বাঞ্চলৰ কেউখন ৰাজ্যৰে বিভিন্ন সমস্যাৰ মোকাবিলা কৰিব লগা হয়। এই প্ৰত্যাহ্বানৰ

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

মাজতো ৰাজধানী চহৰখনক সম্পূৰ্ণৰূপে সুৰক্ষিত কৰি ৰখাত মহানগৰ আৰক্ষীয়ে গ্ৰহণ কৰি অহা ভূমিকাক ভূয়সী প্ৰশংসা কৰি মুখ্যমন্ত্ৰীয়ে 'টীম স্পীৰিট' অক্ষুণ্ণ ৰাখি অনাগত দিনবোৰতো এই ইতিবাচক সেৱা অব্যাহত ৰাখিবলৈ আহ্বান জনায়। লক্-ডাউনৰ সময়ছোৱাত মহানগৰীত আইন-শৃংখলা জনিত সমস্যা যেনে চুৰি-ডকাইতি, ড্ৰাগছৰ দৰে নিচাযুক্ত দ্ৰব্যৰ বেহা আদিৰ ক্ষেত্ৰত বিশেষভাৱে সতৰ্ক হৈ থকাৰ লগতে ৰে'লৱে ষ্টেচন, বাছ আস্থান, পাৰ্ক আদিৰ ওপৰত চোকা দৃষ্টি ৰাখিবলৈ মহানগৰ আৰক্ষীক আহ্বান জনায়।

আজিৰ পৰ্যালোচনা কালত মুখ্যমন্ত্ৰী গৰাকীয়ে মহানগৰ আৰক্ষী অধীনৰ প্ৰতিখন থানাৰে ভাৰপ্ৰাপ্ত বিষয়াসকল, উপ আৰক্ষী আয়ুক্তসকল আৰু যান-বাহন আৰক্ষীৰ কেইবাগৰাকীও পৰিদৰ্শকৰ সৈতে মত-বিনিময় কৰি লক্-ডাউনৰ সময়ছোৱাত তেওঁলোকে লাভ কৰা অভিজ্ঞতা, সুবিধা-অসুবিধা আদিৰ বুজ লয়। মহানগৰীৰ স্পৰ্শকাতৰ অঞ্চলসমূহত সামাজিক দূৰত্ব সঠিকভাৱে বৰ্তাই ৰখা আৰু আইন-শৃংখলা বাহাল ৰখাৰ বাবে আৰক্ষীৰ তহল বৃদ্ধি কৰিবলৈ মুখ্যমন্ত্ৰীয়ে বিষয়াসকলক আহ্বান জনায়। লক্-ডাউনৰ সময়ছোৱাত নিজ নিজ এলেকাৰ নেতৃস্থানীয় ব্যক্তিসকল আৰু জ্যেষ্ঠ নাগৰিকসকলৰ খা-খবৰ লৈ তেওঁলোকৰ সুবিধা-অসুবিধাৰ বুজ ল'বলৈ তথা পৰামৰ্শ গ্ৰহণ কৰিবলৈও মুখ্যমন্ত্ৰীয়ে বিষয়াসকলক আহ্বান জনায়। ৰমজাৰ মাহৰ সময়ছোৱাত ইছলাম ধৰ্মাৱলম্বী ৰাইজক নিজ নিজ ঘৰতে নামাজ পঢ়াৰ বাবে অনুপ্ৰাণিত কৰাৰ দিশত পদক্ষেপ গ্ৰহণ কৰিবলৈও তেওঁ বিষয়াসকলক নিৰ্দেশ দিয়ে।

আজিৰ বৈঠকত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত, অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান (আইন-শৃংখলা) জি পি সিং আৰু মহানগৰ আৰক্ষী আয়ুক্ত মুন্না প্ৰসাদ গুপ্তাৰ লগতে জ্যেষ্ঠ আৰক্ষী বিষয়াসকল উপস্থিত থাকে।

পৰ্যালোচনা বৈঠকৰ পিছতে মহানগৰীৰ আৰক্ষী চাউনীৰ চৌহদত সমবেত সাংবাদিকসকলক সম্বোধন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে লক্-ডাউনৰ সময়ছোৱাত জনসাধাৰণৰ জীৱন আৰু সম্পত্তিৰ সুৰক্ষাৰ বাবে মহানগৰ আৰক্ষীয়ে প্ৰতিটো ক্ষেত্ৰতে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। ৰাজ্য চৰকাৰৰ বিশেষ তৎপৰতাত ৰাজস্থানৰ কোটাত আবদ্ধ ৩২০ গৰাকী ছাত্ৰ-ছাত্ৰীকে ধৰি প্ৰায় ৩৬০ গৰাকী লোকক ৰাজ্যলৈ ঘূৰাই অনাৰ পাছত মহানগৰীত যি নিৰ্দ্ধাৰিত স্থানত কুৱাৰেণ্টাইন কৰা হ'ব সেই স্থানত মহানগৰ আৰক্ষীয়ে উপযুক্ত নিৰাপত্তাৰ ব্যৱস্থা কৰিছে। লক্-ডাউনৰ বাবে মহানগৰীত আবদ্ধ বিভিন্ন জিলাৰ প্ৰায় ৫ হাজাৰ গৰাকী ব্যক্তি আজি ৩২০ খন কৈ বাছেৰে নিজ নিজ ঠাইলৈ ঘূৰাই পঠিওৱা হৈছে আৰু এই ক্ষেত্ৰতো মহানগৰ আৰক্ষীয়ে বিশেষ ভূমিকা পালন কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে আজিৰে পৰা যি তিনি দিনৰ বাবে আন্তঃজিলা যাতায়াতৰ বাবে চৰকাৰে সুযোগ প্ৰদান কৰিছে সেই ক্ষেত্ৰত যাতে সামাজিক দূৰত্ব সকলোৰে বজাই ৰাখে তাৰ ওপৰতো বিশেষ দৃষ্টি ৰাখিব লাগিব।

উল্লেখ্য যে লক্-ডাউনৰ সময়ছোৱাত গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্তৰ এলেকাধীন লক্-ডাউন ভংগ কৰাৰ বাবে ৮৩ টা গোচৰ পঞ্জীয়ন কৰাৰ উপৰি ৪৯০ জন লোকক গ্ৰেপ্তাৰ কৰা হয়। এই

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

সময়ছোৱাত ৯১০৬ খন যান-বাহন জব্দ কৰাৰ লগতে ৩৭৪৮ টা এজাহাৰ বিহীন গোচৰ পঞ্জীয়ন কৰাৰ উপৰি ৫৭,১৯,১০০ টকা জৰিমনা আদায় কৰা হয়। আৰক্ষী বাহিনীয়ে লক্-ডাউনৰ সময়ছোৱাত সাহায্য সামগ্ৰীও বিতৰণ কৰে। ১,৩৩,৪০৫ টা খাদ্যৰ পেকেট বিতৰণ কৰাৰ উপৰি ৩ হাজাৰ পেকেট শুকান ৰেচন যোগান লগতে ৯৫ টা মেডিকেল আৰু জৰুৰীকালীন সেৱাত সহায় আগবঢ়ায়। মহানগৰ আৰক্ষীয়ে মেডিকেল হেল্পলাইন নম্বৰৰ লগতে ৬ টাকৈ মেণ্টেল হেল্পলাইন তথা অ'ল্ড্ এজ হেল্পলাইনো মুকলি কৰাৰ উপৰি জনসচেতনতাৰ বাবেও পদক্ষেপ গ্ৰহণ কৰি আহিছে।

**প্ৰঃকুঃবঃ / পুঃডেঃ**
**২৫/৪/২০২০**